# অধ্যায় ১৪ ঃ হীৰেন ভট্টাচার্যৰ কবিতা ঃ লখিমী

## অধ্যায় গাঁথনি


14.1 উদ্দেশ্য

14.2 পৰিচয়

14.3 *লখিমী*

14.3.1 কবি পৰিচয়

14.3.2 কবিতাটিৰ মূল পাঠ

14.3.3 কবিতাটিৰ বিষয়বস্তু

14.3.4 কবিতাটিৰ সাধাৰণ আলোচনা

14.3.5 কবি হিচাপে হীৰেন ভট্টাচার্যৰ মূল্যায়ন

14.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

14.5 অধিক জানিবলৈ

14.6 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

14.7 আৰ্হি প্রশ্ন


## ১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবি হীৰেন ভট্টাচার্যৰ সামগ্রিক কাব্য-চিন্তাৰ লগত পৰিচিত হ'ব
- হীৰেন ভট্টাচার্যৰ কাব্য-কৃতিৰ যথাযথ মূল্যায়ন কৰিব পাৰিব
- আধুনিক অসমীয়া কাব্যজগতত হীৰেন ভট্টাচার্যৰ স্থান নিৰূপণ কৰিব পাৰিব
- কৃষি-জীৱী সভ্যতাৰ জীৱন-ধাৰা সম্পর্কে কিছু কথা জানিব পাৰিব
- *লখিমী* কবিতাৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

## ১৪.২ পৰিচয়

ইয়াৰ আগৰ অধ্যায়টিত আপুনি অসমীয়া আধুনিক কাব্য জগতৰ প্রতিভাশালী কবি নীলমণি ফুকনৰ *গৌৰীনাথ আহিব* কবিতাটিৰ বিষয়বস্তু তথা মূল বক্তব্যৰ লগতে সামগ্রিকভাবে কবি গৰাকীৰ কাব্য-চিন্তা সম্পর্কে অধ্যয়ন কৰিলে। এতিয়া এই অধ্যায়টিত আন এগৰাকী জনপ্রিয় কবি হীৰেন ভট্টাচার্যৰ কবিতাৰ লগত আপুনি পৰিচিত হ'ব।

স্বাভাৱিক সৰলতা, সাঙ্গীতিক মাধুর্য, আনুভূতিক গাম্ভীর্য আৰু শব্দচয়নৰ সুষম মৌলিক প্রয়োগে হীৰেন ভট্টাচার্যৰ কবিতাক আকর্ষণীয় কৰি তুলিছে। কবি ভট্টাচার্যৰ আধুনিক অসমীয়া কাব্য জগতত সঁচাকৈয়ে যে এখনি সুকীয়া আসন আছে— সেই দৃষ্টিভঙ্গীৰ মূল্যায়নৰ আধাৰত এতিয়া আমি হীৰেন ভট্টাচার্যৰ *লখিমী* কবিতাৰ বিষয়ে আলোচনা কৰিম।

## ১৪.৩ *লখিমী*

আধুনিক অসমীয়া কাব্যৰ ইতিহাসত হীৰেন ভট্টাচার্য এগৰাকী বিশিষ্ট জনপ্রিয় কবি। অনুভূতিৰ গভীৰতা, কাব্যিক গীতিময়তা আৰু অর্থৰ বর্ণাঢ্য ৰূপৰ প্রকাশে কবি হীৰেন ভট্টাচার্যৰ কবিতাক মোহনীয় কৰি তুলিছে। তলত কবিজনাৰ চমু পৰিচিতি দাঙি ধৰি তেওঁৰ কাব্য-চিন্তাৰ সম্যক ধাৰণা প্রদান কৰা হ'ব। তাৰ পাছতেই আমাৰ আমাৰ আলোচ্য কবিতাটিৰ বিষয়ে বহলাই আলোচনা দাঙি ধৰা হ'ব।

### ১৪.৩.১ কবি পৰিচয়

আধুনিক অসমীয়া কবিতাৰ এগৰাকী অন্যতম কবি হীৰেন ভট্টাচার্যৰ জন্ম হয় যোৰহাটত, 1932 চনত। তেওঁৰ পিতৃ তীর্থনাথ ভট্টাচার্য আৰু মাতৃ স্নেহলতা ভট্টাচার্য। তেওঁ ডিব্রুগড়ৰ গ্রেহাম বজাৰ এম.ই. স্কুলত পঢ়ি পাছত ক্রমে তেজপুৰ মজলীয়া স্কুল, গোলাঘাট হাইস্কুলত পঢ়ি গুৱাহাটী কটন কলেজিয়েট স্কুলৰপৰা হাইস্কুল শিক্ষান্ত পৰীক্ষা (মেট্রিকুলেচন)ত উত্তীর্ণ হৈ 1954 চনত বি বৰুৱা মহাবিদ্যালয়ৰ পৰা আই. এ. পাছ কৰে। তাৰ পাছত তেওঁ বিভিন্ন কর্মত নিয়োজিত হৈ 1962–64 চনত বোর্কা হাইস্কুলত শিক্ষকতা কৰে। 1964 চনত তেওঁ চিত্রবন প্রিন্টিং প্রেছৰ স্বত্বাধিকাৰ হয়। *চিত্রবন*, *মন* আৰু *আন্তৰিক*আলোচনী সম্পাদনাৰ গুৰু দায়িত্বও তেওঁ বহন কৰিছিল। তৰুণ প্রজন্মৰ বহুতো গুণগ্রাহীৰ দৃষ্টিত হীৰেন ভট্টাচার্যৰ কবিতা সঞ্জীৱনী সুধাস্বৰূপ। হীৰেন ভট্টাচার্যৰ কেইবাখনো কাব্যগ্রন্থই অসমীয়া কাব্য সাহিত্যত বিশেষ আদৰ লাভ কৰিছে। কবিৰ অন্যতম কাব্যগ্রন্থ *ৰৌদ্র কামনা*(1964), *তোমাৰ বাঁহী, মোৰ দেশ মোৰ প্রেমৰ কবিতা* (1972), *বিভিন্ন দিনৰ কবিতা*(1974), *কবিতাৰ ৰ'দ*(1977), *সুগন্ধি পখিলা* (1981) আৰু *শইচ পথাৰ মানুহ*(1991)। *শইচ পথাৰ মানুহ*ৰ বাবে হীৰেন ভট্টাচার্যই 1992 চনত সাহিত্য অকাডেমী বঁটা লাভ কৰে। ইয়াৰ বাহিৰে *সুগন্ধি পখিলা*ৰ কবি ৰূপে জনাজাত কবি হীৰেন ভট্টাচার্যই 'বিষ্ণুৰাভা বঁটা' (1958), ভাৰতীয় বিদ্যা ভৱনে প্রদান কৰা 'ৰাজাজী পুৰস্কাৰ' (1984–85), 'ছোভিয়েট দেশ নেহৰু বঁটা' (1987) আৰু মেগৰ শিক্ষা ন্যাসে আগবঢ়োৱা 'অসম উপত্যকা সাহিত্য বঁটা' (2000) লাভ কৰে। 2012 চনত কবি গৰাকীৰ মৃত্যু হয়।

### ১৪.৩.২ কবিতাটিৰ মূল পাঠ

***লখিমী***

*মেটমৰা ধানৰ ডাঙৰি*
*ডাঙৰীয়াৰ চোতালত থ'লো।*
*এতিয়া, মোক ঘৰলৈ যাবলৈ দিয়া।*

*আইজনীৰ মাকৰ গাত লেঠা;*
*এইবেলি ল'ৰা এটা হ'লে ভাল হয় বৰ।*
*জানাইতো খেতিয়কৰ ল'ৰাৰ*
*হাত বৰ চিধা।*
*মোৰ দেখোন আজিকালি*
*বৰ অলপতে হাত-ভৰি কঁপে।*
*বন্দুকতো দূৰৰে কথা*
*ধনুকাঁড়ো জুৰিব নোৱাৰোঁ।*

*আইজনীৰ মাকৰ*
*ল'ৰা এটা হ'লে ভাল হয় এথোন।*
*খেতিয়কৰ ল'ৰাৰ বোলে*
*হাত বৰ পোন!*

## ১৪.৩.৩ কবিতাটিৰ বিষয়বস্তু

কৃষিজীৱী সভ্যতা, সেই সভ্যতাই সৃষ্টি কৰা মানৱীয় দুখ-যন্ত্রণা নিৰাময়ৰ ভাৱনা —ইত্যাদি বাস্তৱিক তথা মননশীল চিন্তা-চেতনাৰ আধাৰত ৰচিত *লখিমী* কবি হীৰেন ভট্টাচার্যৰ অন্যতম সার্থক কবিতা। এই কবিতাটিৰ মাজেৰে কৃষিজীৱী মানুহৰ অর্থনৈতিক সমস্যা, অর্থনৈতিকভাৱে সম্পদশালী সমাজৰ তথাকথিত উচ্চ শ্রেণীটোৰ দ্বাৰা সমাজৰ অর্থনৈতিকভাৱে দুর্বল শ্রেণীটোলৈ নিক্ষেপ কৰা অৱহেলা, অমানৱীয় দিশৰ সার্থক প্রতিফলন ঘটিছে। আন আন কবিতাত প্রকাশ পোৱাৰ দৰে এই কবিতাটিতো সামাজিক ৰূপান্তৰৰ অর্থৱহ ইঙ্গিত ধ্বনিত হৈছে। বক্তব্য বিষয়ক অধিক স্পষ্ট, সার্থক আৰু ভাৱনাৰ সংযোগ গাঢ় কৰিবলৈ কবিয়ে সামাজিক শ্রেণী চেতনাক ব্যক্তিসত্তাৰ ৰূপত প্রকাশ কৰিছে। *লখিমী* এই অভিধাটোৰে কবিয়ে খেতিয়ক জীৱনৰ সভ্যতা আৰু সংস্কৃতিৰ সামগ্রিক দিশক সামৰি লৈছে। 'মহাজন' শব্দটো প্রয়োগ নকৰি কবিয়ে সাম্প্রতিক সময় আৰু সমাজ-আধাৰিত 'ডাঙৰীয়া' শব্দটোৰ অর্থৱহ প্রয়োগ ঘটাইছে। সেয়া হ'লেও কবিতাটিৰ মাজেৰে কৃষিভিত্তিক সমাজ জীৱনত অর্থনৈতিক বৈষম্যই সৃষ্টি কৰা শ্রেণী বিভাজন আৰু তাৰ প্রতিফলন ঘটিছে। কবিতাটি শ্রমৰ অসহনীয় বোজা বহন কৰি জীৱন আৰু জীৱিকা চলোৱা, সমাজ জীৱনৰ শোষিত শ্রেণীৰ প্রতীক সাধাৰণ কৃষকৰ জীৱন দুর্দশাৰ ব্যঞ্জনাময় প্রকাশ। সাধাৰণ খেতিয়কজনে ডাঙৰীয়াৰ ঘৰত ওৰে দিনটো 'লখিমী' চপোৱাৰ নামত শ্রমৰ অসহনীয় বোজা বহন কৰে। সেই শ্রমৰ উৎপাদিত ফচল আহি ডাঙৰীয়াৰ চোতাল পায়হি। সেয়া হ'লেও শ্রমৰ কেন্দ্র বিন্দু সেই শ্রেণীৰ মানুহৰ পা�ৰিবাৰিক বা সামাজিক সমস্যাক মানৱীয় চিন্তাধাৰাৰে বিচাৰ কৰাৰ অৱকাশ সমাজৰ তথাকথিত

ডাঙৰীয়া শ্রেণীৰ নাই। এই শ্রেণীটোৰ বাবে সম্পদ আহৰণহে মূল কথা; তাৰ লগত সংযোজিত প্রাসঙ্গিক মানৱীয় বিচাৰৰ শব্দ এই শ্রেণীটোৰ অভিধানত নাথাকে। এই শ্রেণীটোৱে শ্রমজীৱী এই সাধাৰণ মানুহখিনিৰ দুখ-ভাগৰ অনুভৱ নকৰে। এওঁলোকে মেহনতী জনগণক যন্ত্রৰদৰে ব্যৱহাৰ কৰিব খোজে।কবিতাটিত সাধাৰণ খেতিয়ক জীৱনৰ প্রতীক স্বৰূপ এই খেতিয়ক জীৱনৰ শ্রমৰ স্বৰূপ প্রকাশ কৰাৰ পিছত মানৱীয় দৃষ্টিৰে সমস্যাটি উপস্থাপন কৰিছে। ওৰে দিনটো কাম কৰি ভাগৰি পৰা খেতিয়কজনে ঘৰলৈ ওভতাৰ কামনা কৰে, কিয়নো ঘৰত আছে সন্তান-সম্ভৱা পত্নী।এনে সময়ত স্বামী হিচাপে পত্নীৰ ওচৰত উপস্থিত থকাতো এটা মানৱীয় কর্তব্য। কিন্তু সেই সত্যটো ব্যক্ত কৰিবলৈও তেওঁ সংশয়মুক্ত নহয়। কবিতাটোৰ প্রথম স্তৱকটিৰ প্রথম চাৰিশাৰীত এনে অর্থময় উপলব্ধিৰ প্রকাশ ঘটিছে। এই স্তৱকৰ শেষৰ তিনিশাৰীত কবিয়ে সেই প্রসঙ্গৰ উত্তৰণ ঘটাই সামাজিক চিন্তা-চেতনাৰ আধাৰত ৰূপান্তৰ বা পৰিৱর্তনৰ প্রক্রিয়াত কৃষিজীৱী সভ্যতাৰ বাহক নতুন প্রজন্মও যে অন্যতম অংশীদাৰ হ'ব পাৰে সেই সত্য আবিষ্কাৰৰ প্রয়াস কৰিছে। 'আইজনীৰ মাকৰ গাত লেঠা' এই শাৰীটোত 'লেঠা' (সন্তান সম্ভৱা) এই শব্দটোত অধিক গুৰুত্ব আৰোপ কৰিলেও অতিৰিক্তভাৱে তেওঁৰ যে পুত্র সন্তান নাই, জীয়েক এজনীহে আছে, তাৰো ইঙ্গিত দিছে। খেতিয়কৰ ল'ৰাৰ হাত বৰ চিধা, বিপ্লৱৰ অস্ত্র ধৰিবলৈ সেই হাত বিশেষ উপযোগী— সেই কথাও ইয়াৰ মাজেৰে ব্যঞ্জিত হৈছে। পুত্র সন্তানে শ্রমৰ ভৰ পাতলাব পাৰে— এনে ধাৰণাৰ আশ্রয় ল'ব পাৰি যদিও দ্বিতীয় স্তৱকটিয়ে সেই ধাৰণা গ্রহণ কৰাত বাধা জন্মাইছে। শ্রমৰ অসহনীয় বোজা, অবিৰত কষ্ট, ইত্যাদি কাৰকসমূহে এই চাম মানুহৰ শৰীৰত নির্দিষ্ট সময়ৰ আগতে নেতিবাচক প্রভাৱ পেলায়। কবিতাটিত প্রকাশিত হোৱা এই গৰাকী খেতিয়কৰ জীৱনলৈও সেই সত্যৰ বাস্তৱ ৰূপ সময়তকৈ আগতে নামি আহিছে। মেটমৰা ধানৰ দাঙৰিৰ বোজা ব'ই ব'ই জীৱন দুর্বল কৰা খেতিয়ক গৰাকীৰ সামান্য, সাধাৰণ কাম কৰিলেও হাত-ভৰি কঁপে। পৰিৱর্তন বা ৰূপান্তৰৰ প্রতিনিধি 'তেওঁ' হ'ব খোজে যদিও সেই মানসিকতাক সমর্থন জনাবলৈ তেওঁৰ শৰীৰৰ শক্তি অপাৰগ। বিপ্লৱ বা ৰূপান্তৰ আনিবলৈ কেতিয়াবা সশস্ত্র সংগ্রামৰ প্রয়োজনীয়তাও কবিয়ে অস্বীকাৰ নকৰে। সেই সংগ্রামৰ অন্যতম অস্ত্র যে 'বন্দুক' সেই কথাও কবিৰ মানসিকতাত বর্তমান। কিন্তু এই চাম শ্রমজীৱী মানুহে দৈহিক ক্ষয়ৰ ধাৰা বহন কৰি কবি এনে এটা পৰিস্থিতিত সোমাই পৰে য'ত বন্দুক ধৰাৰ সাহস থাকিলেও, দৈহিক শক্তি নাথাকে। বন্দুকতো দূৰৰে কথা, সশস্ত্র সংগ্রামৰ আন এক আহিলা (যাৰ বাবে দৈহিক শক্তি, সামর্থ সামান্য) ধনুকাঁড়ো তেওঁ জুৰিব নোৱাৰা অৱস্থা হয়।

সেয়েহে সেই ৰূপান্তৰৰ আদর্শক বাস্তৱায়িত কৰিবলৈ প্রথম স্তৱকটিতে উপস্থাপন কৰা আশাৰ পুনৰুক্তি কৰিছে সামান্য শব্দগত সালসলনিৰে। তেওঁ নিশ্চিতভাৱে আশা কৰিছে ল'ৰা এটা হ'লে ভাল হয় (হ'ব), কিয়নো, অসহনীয় শ্রমৰ বোজা বহন কৰি, শোষণৰ বলি হোৱা খেতিয়কজনে ৰূপান্তৰৰ আদর্শ বাস্তৱায়িত কৰিব নোৱাৰিলেও

সভ্যতাৰে ফচল, উত্তৰ-প্রজন্মৰ প্রতিনিধি স্বৰূপ মাতৃগর্ভত থকা 'হাত বৰ পোন' খেতিয়কৰ ল'ৰাটোৰে দুঃসহ অৱস্থাৰ অৱসান ঘটাই মানৱীয় মূল্যবোধ পুনৰ প্রতিষ্ঠা কৰাত সহায় কৰিব পাৰে। কবিতাটিত অর্থনৈতিক বৈষম্যৰ আধাৰত সৃষ্ট শ্রেণী চেতনাৰ দ্বন্দ্ব, কৃষিজীৱী সভ্যতাৰ প্রতিচ্ছবি, ৰূপান্তৰৰ প্রয়োজনীয়তা আৰু সেই পৰিৱর্তনত নতুন পুৰুষৰ চিন্তা-চেতনাৰ আৱশ্যকতা এইবোৰ দিশত সার্থক প্রতিফলন ঘটিছে।

## ১৪.৩.৪ কবিতাটিৰ সাধাৰণ আলোচনা

কবি হীৰেন ভট্টাচার্যৰ অন্যতম সার্থক কবিতা *লখিমী*। 'লখিমী' শব্দটোৰে আভিধানিকভাৰে ধন, সম্পদ আৰু ঐশ্বর্যৰ অধিকাৰিণী লক্ষ্মীক বুজাই যদিও ইয়াত এই অভিধাটোৰে মূল স্থিতিৰ লগতে এক ব্যাপক পৰিসৰ লাভ কৰি মূর্ত হৈ উঠিছে। কৃষিজীৱী সভ্যতা আৰু সংস্কৃতিক ৰূপক বা প্রতীক হিচাপে লৈ কবিয়ে কবিতাটিৰ 'শিৰোনাম' উপস্থাপন কৰিছে। কবি হীৰেন ভট্টাচার্যৰ কবিতাৰাজি অধ্যয়ন কৰিলে কৃষিকেন্দ্রিক সভ্যতাৰ প্রতিচ্ছবি আৰু সেই সভ্যতাই সৃষ্টি কৰা জীৱনৰ চিত্র অতি সুন্দৰভাৰে পৰিস্ফুট হয়। এই কবিতাটিতো কবিয়ে *লখিমী* এই অর্থৱহ শিৰোনামেৰে গাঁৱলীয়া খেতিয়ক জীৱনৰ, শ্রমজীৱী সভ্যতাৰ বার্তা সজীৱ আৰু আকর্ষণীয় ৰূপত প্রেৰণ কৰিছে। সেয়েহে ক'ব পাৰি *লখিমী*মানৰ সভ্যতা আৰু জীৱন পৰিক্রমাৰ ঐতিহ্য আৰু সহজ-সৰল মানুহৰ জীৱনবোধৰ চিত্র প্রতিফলনকাৰী শিৰোনাম। নিঃসন্দেহে এই শিৰোনামটিৰে কবিয়ে সামগ্রিকভাৰে কৃষিকেন্দ্রিক সভ্যতাৰ আভাস দিবলৈ যত্ন কৰিছে।

*লখিমী*তিনিটা স্তৱকত ৰচিত এটি চুটি অথচ অর্থৱহ কবিতা। প্রথম স্তৱকটিত সাতোটা, দ্বিতীয় স্তৱকত চাৰিটা আৰু তৃতীয় স্তৱকত আন চাৰিটা শাৰীৰে কবিতাটোৰ অৱয়ব গ্রথিত। প্রথম স্তৱকৰ শেষৰ দুই শাৰী আৰু শেষৰ স্তৱকটোৰ শাৰী দুটাৰ গাঁথনি-পর্ব প্রায় একে। কবিতাটিত প্রত্যক্ষভাৰে মহাজনী অর্থনীতিৰ চিত্রায়ন দৃষ্টিগোচৰ নহ'লেও কবিয়ে যে কবিতাটোত এই জীৱনধাৰাৰে চিত্র আঁকিব বিচাৰিছে সেই কথা উপলব্ধি কৰিব পাৰি। কবিতাটিত সভ্যতাই সৃষ্টি কৰা শ্রমৰ অসহনীয় ৰূপৰ সার্থক প্রতিফলন ঘটাইছে। কবিতাটিত এনে এক শ্রেণীৰ খেতিয়কৰ জীৱনৰ হৃদয়ৰ উপলব্ধিৰ কাব্যিক ব্যঞ্জনাময় প্রকাশ ঘটিছে।

কৃষিজীৱী সভ্যতা বা কৃষি সভ্যতা মানৱ সভ্যতাৰ অপৰিহার্য উপাদান। কৃষিক বাদ দি এটা সভ্যতা জীয়াই থকাৰ কথাই ভাবিব নোৱাৰি। এই কৃষিজীৱী জীৱনধাৰাৰ আধাৰতে জীয়াই আছে মানুহ। যান্ত্রিক সভ্যতাই মানুহক প্রগতিৰ বাট দেখুৱালেও সেয়া বহু পৰিমাণে বাহ্যিক। জীৱনক চালিত কৰিবলৈ, জীয়াই থাকিবলৈ কৃষিসম্পদ অপৰিহার্য সমল। কিন্তু দুখ আৰু পৰিতাপৰ কথা এয়ে যে সমাজ-জীৱনত এই কৃষিভিত্তিক সভ্যতাৰে শ্রেণী বৈষম্য গঢ় লৈ উঠিছে। কৃষি সম্পদৰ সিংহভাগ আগ্রাসনৰ জৰিয়তে এনে এটা

শ্রেণীৰ সৃষ্টি হৈছে যিয়ে সাধাৰণ মানুহক মানুহ বুলি নাভাবি সম্পদ আহৰণত এওঁলোকক নিয়োজিত কৰিছে। আমাৰ কবিৰ মতে সেই শ্রেণীটো মহাজন শব্দৰেই আন এটি ৰূপক 'ডাঙৰীয়া' শ্রেণী। ডাঙৰীয়াসকলৰ হৈ এই সাধাৰণ শ্রমজীৱী মানুহে ওৰে দিনটো পথাৰত কাম কৰে। দুপৰীয়াৰ প্রখৰ ৰ'দ, বতাহ আৰু বৰষুণক সঙ্গী কৰি পাৰ হয় এই শ্রেণীৰ জীৱন পৰিক্রমা। ধান কাটি, বান্ধি সেই ধানৰ ডাঙৰিবোৰ আনি থোৱা হয় মহাজনৰ চোতালত। এনেদৰে সিহঁতৰ জীৱন হৈ পৰে ক্লান্ত, শ্রান্ত। সিহঁত তেজ-মঙহৰ মানুহ যদিও সভ্যতাই জীৱনৰ ৰূপবোৰ যান্ত্রিক কৰি তোলাৰ ফলত আৰু ডাঙৰীয়াৰ লগত মানৱীয় সম্পর্কৰ কোনো সংহত সূত্র নথকাত, যান্ত্রিক ব্যৱস্থাটোৰ পৰা ওলাই অহাৰ কোনো সুবিধা সেই মানুহখিনিৰ নাই। কবিয়ে পথাৰত কাম কৰা, মহাজনৰ ঘৰত গোলামী খটা সেই শ্রেণী মানুহৰ প্রতিনিধি হিচাপে এগৰাকী শ্রমজীৱী ব্যক্তিৰ জীৱন গাঁথা কবিতাটিত ৰূপায়িত কৰিছে। এই শ্রেণীৰ শ্রমজীৱী খেতিয়ক, দেহৰ ঘাম মাটিত পেলাই 'ডাঙৰীয়া'সকলৰ সম্পদ আহৰণৰ মূল কেন্দ্র খেতিয়কৰ জীৱন ৰেখা কিন্তু বেদনাবোধক, দুঃখজনক আৰু মর্মস্পর্শী। মহাজনৰ আগত এই শ্রেণীটোৰ জীৱনৰ মৌলিক সমস্যাৰ নাই কোনো গুৰুত্ব, ইতিবাচক সমাধান। যাব খুজিও যাব নোৱাৰা, ক'ব খুজিও ক'ব নোৱাৰা— এক দোদুল্যমান পৰিস্থিতিৰ বাহক এওঁলোক। ডাঙৰীয়াৰ গৃহত অর্থৰ বিনিময়ত কাম কৰা খেতিয়কগৰাকীৰ ঘৰত সন্তান-সম্ভৱা পত্নী। পত্নীৰ জীৱন, সাহার্য আৰু মানৱীয় সহায়ৰ স্বার্থত পৰিস্থিতিয়ে বিচাৰে খেতিয়ক স্বামীয়ে পত্নীৰ লগত থকাটো। কিন্তু এইখিনি কথা তেওঁ স্পষ্টভাৱে ক'ব নোৱাৰে। এটা ভয়ে যেন তেওঁৰ মনত 'ছাঁ'ৰ দৰে ক্রিয়া কৰিছে—

*"মেটমৰা ধানৰ ডাঙৰী*
*ডাঙৰীয়াৰ চোতালত থ'লো।*
*এতিয়া মোক যাবলৈ দিয়া।"*

মন কৰিবলগীয়া কথা এয়ে যে 'এতিয়া মোক যাবলৈ দিয়া' এই অভিব্যক্তিতে ব্যঞ্জিত হৈ আছে ডাঙৰীয়া শ্রেণীৰ অর্থনীতিৰ কবলত পৰা 'হাজিৰা' দি ভাত মুঠি মোকলোৱা এই দুর্দশাগ্রস্ত মানুহৰ সংশয় আৰু কিছু পৰিমাণে অসহায়তাবোধৰ স্বৰূপ। কবি ভট্টাচার্যই হৃদয়ৰ উপলব্ধি সার্থকভাৱে ব্যঞ্জনাময় অথচ স্পষ্টভাৱে প্রকাশ কৰিবলৈ বিচাৰে। সন্তান-সম্ভৱা পত্নীৰ সেই ৰূপটোক অর্থৰহ, নিভাঁজ আৰু ঘৰুৱা কৰিবলৈ কবিয়ে ব্যৱহাৰ কৰিছে এই স্বাভাৱিক সৰলতা থকা শাৰীটো।

'আইজনীৰ মাকৰ গাত লেঠা' —আইজনীৰ মাকৰ বুলিও কোৱাৰ লগে লগে সেই খেতিয়ক গৰাকীৰ 'জীয়ৰী' থকা আৰু 'লেঠা' শব্দটোৱে অসমীয়া ঘৰুৱা জীৱনক; সহজ-সৰল মানুহখিনিয়ে ব্যৱহাৰ কৰা 'সন্তান-সম্ভৱা' ৰূপ অধিক স্পষ্ট আৰু ব্যঞ্জিত হৈ ধৰা দিছে।এই সমস্যা সমাধানৰ বাবে, খেতিয়ক জীৱনৰ দুর্দশা মোচনৰ বাবে খেতিয়ক পিতৃয়ে এইবাৰ দ্বিতীয় এজনী 'আইজনীক' নিবিচাৰে, বিচাৰে এটা ল'ৰা সন্তান। এনে

এটি সন্তানৰ জন্ম হ'লে জীৱনক সকাহ দিব পৰা, সাহসী চেতনা জাগ্রত কৰিব পৰা এটা প্রত্যয়দীপ্ত শুভ দিনো হয়তো আহিব পাৰে— "এই বেলি ল'ৰা এটা হ'লে ভাল হয়।"

লাহে লাহে কবিতাটোৱে চিন্তাৰ গতি সলাইছে। কবিয়ে সমস্যাকেন্দ্রিক জীৱনৰ ৰূপৰেখা অঙ্কিত কৰাৰ পিছত সেই চিন্তাধাৰাৰ বিপৰীতে ৰূপান্তৰৰ চিন্তাধাৰাৰ বীজ ৰোপণ কৰিবলৈ প্রয়াস কৰিছে। "ল'ৰা এটা হ'লে ভাল হয়" —এই কবিতাশাৰীৰে শ্রমৰ অসহনীয় বোজা লাঘৱ কৰিব পৰা এক অংশীদাৰ হিচাপে পোৱাৰ মানসিকতাৰ কথা যেনেদৰে ভাবিব পাৰি, তেনেদৰে ভাবিব পাৰি সমাজ আৰু কাল চেতনাৰ আধাৰত বৈপ্লৱিক চেতনা জাগ্রত কৰাৰ ইঙ্গিতময় ব্যঞ্জনাও—

*"জানাইতো খেতিয়কৰ ল'ৰাৰ*
*হাত বৰ চিধা।"*

প্রসঙ্গক্রমে এই কথা উল্লেখ কৰিব পাৰি যে কবি হীৰেন ভট্টাচার্যই আন বহুতো কবিতাত সামাজিক, বৈপ্লৱিক চিন্তা-চেতনা জাগ্রত কৰাৰ আধাৰ হিচাপে কৃষিজীৱন আধাৰিত নানা প্রতীক, অর্থৱহ ৰূপ শক্তিময় ব্যঞ্জনা হিচাপে গ্রহণ কৰিছে—

*"আই আজি মই সঁচাকৈয়ে*
*বৰ হিংস্র হৈ উঠিছোঁ।*
*মোৰ নিয়াৰিৰ*
*কাচিখন এবাৰ চালেই*
*বুজিব পাৰিবা*
*কাৰ ডিঙিৰ জোখেৰে গঢ়িছোঁ।" (আত্মপক্ষ)*

এনেকৈও ভাবিব পাৰি যে *লখিমী*কবিতাৰ 'ল'ৰা এটা হ'ল ভাল হয় বৰ' এই চিন্তাৰ পূর্ণতা যেন *আত্মপক্ষ*আৰু আন দুই এটি কবিতাত ভাবৰ দিশৰ পৰা ব্যঞ্জিত হৈ প্রকাশ পাইছে। এনেদৰে প্রথম স্তৱকটিতে কবিয়ে মানৱ সভ্যতাৰ লাইখুঁটা স্বৰূপ কৃষিভিত্তিক সভ্যতাৰ সৃষ্ট শ্রমজীৱী কৃষক জীৱনৰ বিষাদবোধ আধাৰিত চিত্র অতি সার্থকভাৱে প্রকাশ কৰিছে; এক ৰূপান্তৰৰ পর্বৰ আখৰা আৰম্ভ কৰিছে।

অর্থনৈতিক সমস্যাৰে ভাৰাক্রান্ত, শ্রমৰ অসহনীয় বোজা শৰীৰত বহন কৰি জীয়াই থকা এই শ্রেণীৰ খেতিয়কৰ (অন্যান্য শ্রমজীৱীৰ) জীৱনলৈ অকালতে নামি আহে দৈহিক দুর্বলতা।বয়সৰ দিশৰ পৰা যিখিনি শ্রম কৰিবলৈ স্বাভাৱিকতে মানুহৰ শক্তি আৰু সামর্থ্য থাকে— সেইখিনি এওঁলোকে আগতীয়াকৈ হেৰুৱাই পেলায়। এহাতে সমস্যাই সৃষ্টি কৰা দুর্বলতা আৰু আনহাতে শাৰীৰিক দুর্বলতা— দুয়োটাই যেন ৰুদ্ধ কৰি পেলায় সামগ্রিক গতিপথ। অন্যায়ৰ প্রতিবাদ কৰিবলৈ, শ্রেণী বৈষম্যৰ বিৰুদ্ধে, ৰূপান্তৰৰ পর্ব আৰম্ভ কৰাৰ মানসিক প্রত্যয় এওঁলোকৰ থাকে যদিও পৰিৱর্তন বিচৰা সংগ্রামী ব্যৱস্থাৰ বাবে শৰীৰৰ গুৰুত্বও যেন কবিয়ে অস্বীকাৰ কৰা নাই। এই কথা অনস্বীকার্য যে যি সামাজিক ব্যৱস্থাটোৱে মানৱীয় চিন্তা-চেতনাক গিলিব খোজে, সেই ব্যৱস্থাটোৰ প্রতি কবি কেতিয়াবা

ইমান বিক্ষুব্ধ হৈ উঠে— যাৰ ফলত সশস্ত্র সংগ্রামী চেতনাকো কবিয়ে ৰূপান্তৰৰ বাহক হিচাপে গ্রহণ কৰিব খোজে। কবিতাটিত তেনে এক চিন্তাৰো ইঙ্গিত বর্তমান। কিন্তু সেই চিন্তাধাৰা বাস্তৱায়িত কৰিবলৈ যি শক্তিৰ প্রয়োজন, সামাজিক আৰু অর্থনৈতিক ব্যৱস্থাটোৱে তাক কুৰুকি কুৰুকি খাইছে। সশস্ত্র বিপ্লৱৰ চূড়ান্ত সমল 'বন্দুক'তো কবিয়ে হাতত ল'ব নোৱাৰেই, আনকি সশস্ত্র আহিলা, পাতল ধনুকাঁড় জুৰিবলৈও গাত শক্তিৰ অভাৱ; সাধাৰণ শ্রমতে শাৰীৰিক দুর্বলতাৰ ফলশ্রুতিত হাত-ভৰি কঁপি উঠে—

*"মোৰ দেখোন আজিকালি*
*বৰ অলপতে হাত ভৰি কঁপে।*
*বন্দুকতো দূৰৰে কথা*
*ধনু কাঁড়ো জুৰিব নোৱাৰোঁ।"*

লেঠা লগা আইজনীৰ মাকৰ ল'ৰা এটা হ'লে ভাল হোৱাৰ সম্ভাৱনাটোক শেষৰ স্তৱকটিত কবিয়ে অধিক গাঢ় কৰাৰ প্রয়াস কৰিছে। মাজৰ স্তৱকটোৱে দুয়োটা চিন্তাৰ কেন্দ্রবিন্দু হিচাপে কাম কৰিছে। প্রথম দীঘলীয়া স্তৱকটোত যি প্রাপ্তিৰ আশা কৰিছিল তাক বাস্তৱায়িত কৰা চিন্তাৰে কবি ওচৰ চাপিছে। এইবাৰ কবিয়ে প্রথম স্তৱকটোৰ শেষৰ শাৰী সামান্য শব্দগত পৰিৱর্তনেৰে পাঠকৰ সম্মুখত উপস্থাপন কৰিছে। কেৱল কবিয়ে 'এথোন' আৰু 'চিধা' শব্দ দুটি পুনঃ প্রয়োগ নকৰি 'পোন' শব্দটিৰ প্রয়োগেৰে শেষৰ স্তৱকটো অধিক গাঢ় আৰু প্রত্যয়দীপ্ত কৰিবলৈ যত্ন কৰিছে—

*"আইজনীৰ মাকৰ*
*ল'ৰা এটা হ'লে ভাল হয় এথোন।*
*খেতিয়কৰ ল'ৰাৰ বোলে*
*হাত বৰ পোন।"*

বক্তব্য আৰু ভাৱনাক পোনপটীয়া নকৰি কবিতাটিত কবিয়ে 'দেখোন' 'বোলে' 'এথোন' আদি প্রত্যয়ৰ ব্যৱহাৰ কৰি কাব্যিক ভাৱনাক অধিক সুষম আৰু সজীৱ কৰি তুলিছে। সামগ্রিকভাৱে কবিতাটিত খেতিয়ক জীৱনৰ শ্রমৰ মানচিত্র আঁকা দুখময় জীৱনৰ স্পষ্ট-অস্পষ্ট ৰেখা, সামাজিক চিন্তা-চেতনাৰ আধাৰত ৰূপান্তৰৰ হাবিয়াহ অতি সহজ-সৰল অথচ অর্থৱহ, প্রতীকময় ভাব মাধুর্যৰে প্রকাশিত হৈছে। *লখিমীক* প্রতিপালন কৰাজনৰ জীৱন দুর্দশাৰ আভাসো কবিয়ে পৰোক্ষভাবে প্রকাশ কৰা যেন লাগে।



**চিন্তা-চর্চা কৰক ৯.১**

অধিক জানিবলৈত উল্লেখ থকা কিতাপ কেইখনৰ সহায়েৰে কবিতাত 'প্রতীক' শব্দটোৱে কি অর্থ প্রকাশ কৰে সেই বিষয়ে চমুকৈ লিখি ইয়াৰ উৎপত্তি সম্পর্কে উদাহৰণসহ বহলাই আলোচনা কৰক।



**অগ্রগতি নিৰীক্ষণ**

**প্রশ্ন নং ৪** ঃ *লখিমী* কবিতাটিত অন্তর্নিহিত হৈ থকা তাৎপর্য সম্পর্কে এটি আলোচনা যুগুত কৰক।

(150টা শব্দৰ ভিতৰত লিখক।)

## ১৪.৩.৫ কবি হিচাপে হীৰেন ভট্টাচার্যৰ মূল্যায়ন

অসমীয়া আধুনিক কবিতাৰ এগৰাকী বিশেষভাৱে জনপ্রিয় কবি হীৰেন ভট্টাচার্য। সহজ-সৰল নিজস্ব ভাষাৰে জীৱনৰ নিভাঁজ সৰল ৰূপক অর্থৱহ ৰূপে প্রকাশ কৰে। ভাৱৰ গভীৰতা সার্থকভাৱে ৰাখিও প্রকাশভঙ্গীৰ ক্ষেত্রত সৰলতা তেওঁ অৱগাহন কৰে সহজ-সৰলতাৰ মাজত। তেওঁৰ কবিতাৰাজিৰ শব্দই সুন্দৰ ভাৱ-ব্যঞ্জনাৰ সৃষ্টি কৰি এক সুকোমল আনুভূতিক গাম্ভীর্য প্রদান কৰে। সাঙ্গীতিক মাধুর্যই এই গৰাকী কবিৰ কবিতাক সুকীয়া ৰূপ-লাৱণ্য প্রদান কৰিছে। কবি হীৰেন ভট্টাচার্যৰ কবিতা মানুহৰ প্রতি থকা গভীৰ প্রেম-ভালপোৱাৰ নিয়ৰেৰে সিক্ত। ইয়াৰ লগতে এক নব্য-ৰোমাণ্টিক প্রেমৰ আলফুলীয়া আকুলতাই এই গৰাকী কবিৰ কবিতাক মাধূর্য দান কৰিছে। কবিয়ে অনুভৱ কৰে প্রেমৰ এনে এক গভীৰ আকর্ষণ আছে, যিয়ে জীৱন সত্তাক আৱৰি লৈ সমাজৰ হৃদয় সজীৱআৰু আকর্ষণীয় কৰি তুলিব পাৰে। কেতিয়াবাআকৌ প্রেমৰ ক্ষেত্রত কবিৰ অন্তৰত সৃষ্টি হোৱা বিষাদবোধে হৃদয়-বিগলিত কৰিছে আৰু তাৰ সুষম, মার্জিত আৰু সৌন্দর্যপ্রাণ উপলব্ধিয়ে কবিতাৰাজিক এক নান্দনিক গাম্ভীর্য প্রদান কৰিছে। দেশ বুলিলে আদেশ নলগা কবি হীৰেন ভট্টাচার্যৰ কবিতাত দেশৰ বোকা মাটিক ভাল-পোৱাৰ আকুলতা, অকৃত্রিম মৰম, মর্মস্পর্শী গভীৰতা, স্বাভাৱিক আৱেগ আৰু ব্যক্তিগত অনুভূতিৰ উত্তাপ আছে। এনে ধৰণৰ সাত্তিকতাই কবি ভট্টাচার্যৰ কবিতাক সহজে আকর্ষণ কৰাত সহায় কৰে। পোনপটীয়াভাৱে কবি অন্তৰৰ উপলব্ধি প্রকাশ নকৰি সমার্থক প্রতীকী ব্যঞ্জনাৰ সহায় লৈ তেওঁ জীৱন আৰু সমাজক পাঠকৰ আগত দাঙি ধৰিবলৈ বিচাৰে। দুখীয়া, নিপীড়িত জনতাৰ দুখৰ ক্রন্দনধ্বনি প্রকাশ কৰিবলৈ কবিয়ে সহায় লয় ৰূপালী চৰাই আৰু জাৰত কঁপি থকা সিহঁতৰ ডেউকাত পোহৰৰ অদ্ভুত স্পন্দন। জীৱনৰ শুকান ডালতো কবি হৃদয়ত তৰঙ্গায়িত হয় দুঃসাহসিক পাতৰ প্রত্যয়দীপ্ত সেউজীয়া তৰঙ্গ।

সাময়িক যুগ যন্ত্রণাৰ ছবি কবি হীৰেনভট্টাচার্যৰ কবিতাত অনুৰণিত হয়। বিপ্লৱী কবি নাজিম হিকমতৰ দৰে এই গৰাকী কবিয়েও বিক্ষুব্ধ সময়ৰ যন্ত্রণাৰ চিঞৰ শুনে, জনতাৰ প্রগলভ কণ্ঠত শুনিবলৈ পায় দুর্মদ প্রতিবাদৰ ভাষা। পৃথিৱীৰ মানুহৰ ক্লান্ত, ৰুদ্ধ, ক্লীৱ অৱসাদ দূৰ কৰিবলৈ কবিয়ে অগ্রজৰ পৰা প্রাণৰ আশীর্বাদ বিচাৰে। ব'হাগ আৰু বসন্তৰ তেজী ঘোঁৰা, তেজাল আকাশ আৰু প্রান্তৰৰ সেউজীয়া ঘাঁহনিয়ে কবি অন্তৰত,

হৃদয়ৰ নিভৃত স্থানত জীৱনবোধৰ প্ৰেৰণা দান কৰে। বিশ্বৰ বিভিন্ন প্ৰান্তত গা কৰি উঠা বিপ্লৱৰ পৰা কবিয়ে লাভ কৰে স্বাধীনতা আৰু শান্তিৰ নামত উৎসৰ্গিত কবিতাৰ অনুভৱী সত্য। জীৱন তথা সমাজৰ কোঁহে কোঁহে ঘৃণা আৰু অবিশ্বাসৰ সঙ্কীৰ্ণতাই যে আবৰি ধৰিছে সেই সত্য কবি হৃদয়ৰো সত্য।ইয়াৰ বাবে কবিয়ে বিচাৰে চেতনাৰ বিপ্লৱ, চেতনাৰ কণ্ঠস্বৰ। অন্ধকাৰৰ প্ৰহৰ ভাঙি মানুহৰ বাবে বিশ্বাস আৰু ভালপোৱা পুনৰুদ্ধাৰৰ বাবে কবিয়ে জ্যোতিপ্ৰসাদৰ হৃদয় জ্যোতিৰ আদৰ্শও মনে-প্ৰাণে কামনা কৰে। স্বদেশৰ ৰূপৰেখা কবি ভট্টাচার্যই মানসপটত সুকীয়া, বৰ্ণাঢ্য পৰিক্ৰমাৰে অঙ্কিত কৰি লৈছে। তেওঁৰ মনত স্বদেশৰ সীমাৰ অখণ্ডতা দেশান্তৰলৈ।বহু দেশৰ অৱঙে-দৱঙে ঘূৰাৰ পিছত, সাগৰ, খেজুৰ অথবা পাহাৰ তলিত জিৰোৱাৰ পিছতো কবিয়ে শেষ কৰিব পৰা নাই মনৰ স্বদেশ-সীমা। দেশৰ পৰা দেশান্তৰলৈ বহু যাত্ৰাৰ শেষত কবিৰ হৃদয় উপলব্ধি— দেশ মানে মানুহ, মানুহৰ স্বদেশ। এনে এখন দেশৰ বাবে কবিৰ জীৱনৰ উত্তৰণ, গভীৰৰ পৰা গভীৰতালৈ অগ্ৰসৰ কবিৰ স্বদেশ যাত্ৰা। আইৰ অসুখৰ কথাও কবিৰ উপলব্ধ— আইৰ তেজৰ ধাৰত, হাড়ত আঁহত বিহ। দুখ-বিষাদে কবিৰ অন্তৰত সৃষ্টি কৰা মানসিক যন্ত্ৰণাই ভিন্ন পথ-উপপথেৰে যাত্ৰা কৰি মার্জিত, সংযত কাৰুণ্যৰ সৃষ্টি কৰিছে কবি ভট্টাচার্যৰ কবিতাত।

ভট্টাচার্য মানৱতাবাদী কবি। কবিয়ে মানুহৰ জীৱনৰ দুখ-যন্ত্ৰণা গভীৰভাৱে উপলব্ধি কৰিছে। কবি ভট্টাচার্যই এই কণ্ঠস্বৰ পোনে পোনে প্ৰকাশ কৰা নাই। মানৱতাৰ হিতাৰ্থে, দুখীয়া, নিপীড়িত জনতাৰ কল্যাণৰ অৰ্থে যি মর্মবাণীপ্ৰকাশ কৰিছে তাৰ উপলব্ধি প্ৰতীকময় অৰ্থ-ব্যঞ্জনাৰ মাজত বিজড়িত হৈ আছে। কবিৰ আকাংক্ষিত ৰূপান্তৰৰ পৰ্বত ৰৈ থকা মানুহবোৰ এন্ধাৰত থুপ খাই বহি থাকে— যিয়ে সূৰ্য নোলোৱালৈকে বহি থকা সম্ভাৱনা স্পষ্ট।

*"মানুহবোৰ*
*এন্ধাৰত থুপ খাই বহি আছে।*
*সূৰ্য নোলোৱালৈকে*
*হয়তো এইদৰে থাকিব।"*

আধুনিক অসমীয়া কাব্যজগতত হীৰেন ভট্টাচার্যৰ এখনি সুকীয়া স্থান আৰু মর্যাদা আছে। সহজ-সৰল প্ৰকাশভঙ্গী আৰু সাঙ্গীতিক মাধুর্যই এই গৰাকী কবিৰ কবিতাক সজীৱতা দান কৰিছে। ভট্টাচার্যৰ কবিতাত গাঁৱলীয়া জীৱনৰ প্ৰতি মোহ প্ৰৱল। কৃষি আধাৰিত সমাজ জীৱনৰ ভিন্ন চিত্ৰ একো একোটি বিশেষ প্ৰসঙ্গক তেওঁ সুন্দৰভাৱে প্ৰকাশ কৰি চিন্তাধাৰাক তেওঁ অভিনৱত্ব প্ৰদান কৰিবলৈ সততে যত্ন কৰে—

*"পাৰা যদি আই মোক ক্ষমা কৰিবা।*
*মই যে দাৱনীৰ হাতৰ ধান কটা*
*কাচিখনৰ কথা পাহৰিয়েই গ'লো।*
*সেইখনো এদিন ময়েই গঢ়িছিলো।" (আত্মপক্ষ)*

অনুভূতিৰ সজীৱতা, কমনীয়তা, গাম্ভীর্য আৰু এক আন্তৰিক সৌন্দর্যৰ সার্থক প্রকাশে ভট্টাচার্যৰ কবিতাক অনির্বচনীয় সৌন্দর্য প্রদান কৰিছে। একোটি কাব্যিক অনুভূতিক তীব্র, সতেজ অথচ সংক্ষেপতে প্রকাশ কৰাৰ ক্ষেত্রত কবিৰ কৃতিত্ব অসামান্য—

ক) *ভঙা কলিজাত কোনে বিনাই*
*কবিতা মোৰ দুখৰ ঋতুৰ এপাহ খৰিকাজাই। (বিভিন্ন কবিতা-1)*

খ) *বাঁহীটো তেজৰ তলত, হাড়ৰ মাজত*
*লুকাই আছিল অতকাল। তাত*
*থুপাই থৈছিলোঁ সময়ৰ কিছুমান*
*শুকান পাত। (বাঁহীৰ পাত)*

এহাতে অনুভূতিৰ সজীৱতা আৰু গভীৰতা আৰু আনহাতে সহজ-সৰল ভাষাৰ গীতিধর্মী সৰল প্রকাশিকা শক্তি— এই দুয়োটা গুণৰ সমন্বয়ে ভট্টাচার্যৰ কবিতাক উজ্জ্বল কৰি তুলিছে। জীৱন উপলব্ধিৰ গভীৰতা তেওঁৰ কবিতাৰ স্তৰকে স্তৰকে বিৰাজমান। জীৱনবোধৰ স্পর্শ আৰু গোন্ধ লৈ প্রেমৰ প্রকৃত স্বৰূপ প্রকাশ কৰিবলৈ তেওঁ আগবাঢ়ি আহে এনেদৰে—

*"তুমিতো জানায়*
*এই কবিৰ আৰু একো নাই*
*এটাই মাথো কামিজ*
*তাৰো ছিগো ছিগো চিলাই।*
*প্রেম নিশ্চয় এনেকুৱাই*
*আৱৰণ খুলি হৃদয় জুৰায়।" (ভোগালি)*

বেদনাবোধে কবিক কুৰুকি কুৰুকি খাইছে। কেতিয়াবা বেদনাৰ ভৰ সহ্য কৰিব নোৱাৰি মানুহক ভালপোৱা কবি গৰাকীয়ে স্বাভাৱিক জীৱনৰ সৰল যাত্রাৰ পৰা জটিল গতি পথলৈ আগবাঢ়ি আহে। বেদনাৰ সংঘাতে কবিক কৰি তোলে বিক্ষুব্ধ। এনে পৰিস্থিতিত বেদনা সৃষ্টিকাৰী অশুভ শক্তিক আহত কৰিবলৈও মানসিক সাহস তেওঁ সঞ্চয় কৰে। তেওঁৰ এনে ভাৱনাও হয় যেন নিজৰ হাতত তেওঁ নিজেই নিহত হ'ব। কবিয়ে উপলব্ধি কৰে তেওঁৰ তেজৰ শিখাত প্রজ্বলিত হৈ আছে 'বাৰুদ ভৰা যন্ত্রণা' যিয়ে বিস্ফোৰণৰ ৰূপো হয়তো ল'ব পাৰে—

*"মোৰ দুহাত লোহাৰ শিকলিৰে বন্ধা*
*কেতিয়াবা ভাবো খুন কৰোঁ নাইবা*
*নিজেই নিহত হওঁ সিহঁতৰ হাতত।"*

হীৰেন ভট্টাচার্যৰ কবিতা চিত্রকলাৰে সমৃদ্ধ। প্রেম, মৃত্যু, জীৱন-যন্ত্রণা, মানৱীয় প্রশান্তি, মানসিক ভীতিগ্রস্ততা— জীৱনৰ এই বিচিত্র ৰূপক একোটি সুন্দৰ মানস চিত্রৰ জৰিয়তে প্রকাশ কৰা হৈছে। কবিয়ে মৃত্যুক দিছে এক অপৰিমিত নান্দনিক সৌন্দর্য।

সাধাৰণ দৃষ্টিত যি মৃত্যু ভয়, সংশয়, বিষাদ আৰু কাৰুণ্যৰ প্ৰতীক— সেই মৃত্যুৰ মাজত কবি মানসে উপলব্ধি কৰিছে—

*"মৃত্যুওতো এটা শিল্প*
*জীৱনৰ কঠিন শিলত কটা নিৰ্লোভ ভাস্কৰ্য্য।" (জোনাকী মন-26)*

কবিৰ অনুভূতিত মৃত্যুও এক ভাস্কৰ্য, মৃত্যুৱে জীৱনৰ সৌন্দৰ্য বঢ়ায়। মৃত্যু আছে বুলিয়েই জীৱন ইমান মধুৰ। মৃত্যুৰ ৰূপ প্ৰকাশ কৰিবলৈ গৈ কবিয়ে যি চিত্ৰকল্পৰ সহায় ল'লে— সকলো কামনা-বাসনা লুপ্ত অৰ্থত এনে নিৰ্লোভ শব্দটিৰ প্ৰয়োগ সঁচাকৈয়ে মন কৰিবলগীয়া। জীৱনৰ প্ৰশান্তি, ৰিক্ততা আৰু নীৰৱতাক পাত, গছ, ৰ'দ, ম'হৰ শিং আৰু এখন পাহাৰৰ চিত্ৰ-সমৃদ্ধ ৰূপত প্ৰকাশ কৰিছে এনেদৰে—

*"পাতবোৰ পৰি আছে। উদং গাৰে ৰ'দ লৈছে গছবোৰে*
*শুকান ঘাঁহত বন কৰা পাট যেন ৰ'দ। দূৰত ম'হৰ শিঙৰ দৰে*
*ফেৰ পাতি থকা পাহাৰটো সাৱটি আছে নৈৰ নিজান সুৰে।"*
*(কবিৰ হাতৰ ছবি-2)*

এটা ভয়াবহ মানসিকতা উপলব্ধি কৰাবলৈ কবিয়ে চেষ্টা কৰিছে কাৰাগাৰ ভাঙি পলাই অহা এজন আটক বন্দী ৰূপত এনেদৰে—

*"ফাটেক ভাঙি পলাই আহিছে*
*ঘৰৰ মানুহটো*
*সিৰিকি কৰিলেই কঁপে*
*তাৰ*
*ঘৰৰ ভিতৰৰ*
*ঘৰ।"*

মানুহক মানৱীয় মৰ্যাদা প্ৰদান কৰি, মানৱীয় সত্যক সমাজত সাত্ত্বিক স্থানত অধিষ্ঠিত কৰাৰ স্বপ্ন লৈ এই গৰাকী কবিয়ে অবিৰত সাধনাত নিমগ্ন। চিনাকি বিষয়বস্তুক সুন্দৰ ৰূপত গীতিধৰ্মী ৰীতিৰে তেওঁ প্ৰকাশ কৰে। বিষয়বস্তুতকৈ প্ৰকাশভঙ্গীৰ অভিনৱত্বই, প্ৰকাশৰ সৌন্দৰ্যহেতে তেওঁৰ কবিতাক পাঠকৰ আপোন কৰি তুলিছে। তেওঁৰ শব্দ প্ৰয়োগৰ ক্ষমতা অভিনৱ। খেৰৰ জুমুঠিৰ পৰা কাৰিকৰে সুন্দৰ মূৰ্তি গঢ়াৰ দৰে পৰিচিত বিষয়বস্তুক তেওঁ এনেদৰে সুন্দৰভাৱে সজাই-পৰাই তোলে যে তাৰ মনোহাৰিত্বই সকলো পাঠকক সহজে আকৰ্ষণ কৰে। উদাহৰণ স্বৰূপে *মোৰ দেশ*নামৰ কবিতাটিৰ উল্লেখ কৰিব পাৰি। স্বদেশ প্ৰেমৰ বাৰ্তা বহন কৰিঅনা এই কবিতাটিক সুন্দৰ প্ৰকাশভঙ্গীয়ে মনোৰম কৰিছে—

*"এনে বহু যাত্ৰাৰ শেষ মোৰ দেশ। যাৰ বুকুৰ উমে মোক দিছে*
*ভালপোৱাৰ আনন্দ, যৌৱনৰ প্ৰাচুৰ্য। জীৱনৰ নতুন অৰ্থ।*
*এই দেশৰ প্ৰতিটো পুৱাই মোলৈ লুকাই আনে ঐশ্বৰ্যৰ বিপুল সম্ভাৰ।*

*প্রতিটো সন্ধিয়াই বৈ আনে স্নিগ্ধ ফুলৰ সুবাস। প্রতিটো*
*ঋতুৱে মোক দি যায় জীৱনৰ আশীর্বাদ।" (মোৰ দেশ)*

কবিৰ অনুভূতি সূক্ষ্ম আৰু গভীৰ। একোটা কাব্যিক অনুভূতিক সংক্ষেপে আৰু তীব্রতাৰে প্রকাশ কৰিবলৈ কবি ভট্টাচার্য সমৃদ্ধ—

*"মোৰ আইৰ অসুখ... ... ...*
*তেজৰ ধাৰত, হাড়ৰ আঁহত বিহ।*
*হাতেৰে মোহাৰি কাংক্ষিত সুখ*
*সোণৰ হৃদয় সলাই ল'লে সীহ।*
*মোৰ আইৰ কি অসুখ?*
*বিষাদ বাঁহীৰ মাতত হেৰুৱাই সম্বিৎ।" (আইৰ অসুখ)*

দেশ বুলিলে আদেশ নলগা কবি হীৰেন ভট্টাচার্যৰ কবিতাত স্বদেশৰ প্রতি মৰম সনা অকৃত্রিম ভালপোৱা ভাব আছে। কবি গৰাকীৰ 'স্বদেশ প্রেম'ৰ দিশটো গুৰুত্ব সহকাৰে লক্ষ্য কৰি আলোচক ইমদাদ উল্লাহে 'সৃজন আৰু মনন'ত এনেদৰে কৈছে— "হীৰেন ভট্টাচাযর্ ভালপোৱাত এনে এবিধ মর্মস্পর্শী গভীৰতা, অকৃত্রিম আৱেগ আৰু ব্যক্তিগত অনুভূতিৰ উত্তাপ আছে যে সি সহজেই যিকোনো পাঠকৰ অন্তৰ স্পর্শ কৰে।"

হীৰেন ভট্টাচার্যৰ শব্দ প্রয়োগ চকুত লগা। বিষয়বস্তুৰ সৈতে কবিয়ে অতি সুন্দৰভাৱে সুকীয়া অভিব্যঞ্জনাযুক্ত শব্দ-সাধন কৰি কবিয়ে কবিতাসমূহক প্রোজ্বল কৰি তোলে। পাঠকক বিষয়বস্তুতকৈ তেওঁৰ স্বকীয় প্রকাশভঙ্গীয়ে সততে আকর্ষণ কৰে। এই গৰাকী কবিৰ উল্লেখযোগ্য কাব্য সঙ্কলনসমূহ হ'ল— *ৰৌদ্র কামনা, তোমাৰ বাঁহী, সুগন্ধি পখিলা, বিভিন্ন দিনৰ কবিতা, শইচৰ পথাৰ মানুহ, ভালপোৱাৰ বোকা মাটি* আদি। 1992 চনত *শইচ পথাৰ মানুহ* নামৰ কাব্য সঙ্কলনখনিৰ বাবে তেওঁ সাহিত্য অকাডেমী বটা লাভ কৰে। আনহাতে, 1984–85 চনত *সুগন্ধি পখিলা* কাব্যগ্রন্থৰ বাবে তেওঁ অসম সাহিত্য সভাৰ 'বিষ্ণু ৰাভা বঁটা' আৰু ভাৰতীয় বিদ্যাভৱনৰ 'ৰাজাজী সাহিত্য পুৰস্কাৰে'ৰে সন্মানিত হয়।



### অগ্রতিৰ নিৰীক্ষণ

**প্রশ্ন নং ২ ঃ** হীৰেন ভট্টাচার্যৰ কবিতাৰ তিনিটা বিশেষ গুণ উল্লেখ কৰক। (75টা শব্দৰ ভিতৰত লিখক।)

**প্রশ্ন নং ৩ ঃ** হীৰেন ভট্টাচার্যই কোন চনত, কোনখন কাব্যগ্রন্থৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰে?

**প্রশ্ন নং ৪ ঃ** হীৰেন ভট্টাচার্যৰ কাব্যকৃতিৰ এটি চমু আলোচনা আগবঢ়াওক। (150টা শব্দৰ ভিতৰত লিখক।)



## ১৪.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- *লখিমী* কবিতাটিত কবিয়ে কৃষি জীৱন আৰু সভ্যতাৰ চিত্ৰ অঙ্কন কৰিছে।
- সেই সভ্যতাই সমাজত সৃষ্টি কৰা সামাজিক আৰু আৰ্থিক বৈষম্য, সম্পদৰ অধিকাৰী এক শ্ৰেণীৰ মানুহৰ প্ৰতি সাধাৰণ মানুহখিনিৰ অৱচেতন মনত সৃষ্টি হোৱা এক ভয়ৰ বোধ, শ্ৰমজীৱী সাধাৰণ মানুহৰ দুখ-কষ্টৰ সংযত প্ৰকাশ আৰু তাৰ আধাৰত সমাজ জীৱনৰ ৰূপান্তৰ বা পৰিৱৰ্তনৰ ইঙ্গিত আৰু এই ক্ষেত্ৰত কৃষক সমাজৰ উত্তৰ প্ৰজন্মৰ দ্বাৰা তাৰ ৰূপায়ণৰ প্ৰয়াস কাব্যমাধুৰ্য আৰু কলাত্মক ভাৱনাৰে কবিতাটিত প্ৰকাশ পাইছে।
- এহাতে অনুভূতিৰ সজীৱতা আৰু গভীৰতা আৰু আনহাতে সহজ-সৰল ভাষাৰ গীতিধৰ্মী সৰল প্ৰকাশিকা শক্তি— এই দুয়োটা গুণৰ সমন্বয়ে ভট্টাচার্যৰ কবিতাবোৰ প্ৰোজ্জ্বল কৰি তুলিছে।



## ১৪.৫ অধিক জানিবলৈ

*অসমীয়া গ্ৰন্থ ঃ*


1] উল্লাহ, ইমদাদ, (1980); *সৃজন আৰু মনন*; শিলপুখুৰী, গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

2] ভট্টাচার্য, পূর্ণ (2009); *কবিতা আৰু আধুনিক অসমীয়া কবিতা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

3] দাস, অমল চন্দ্ৰ (সম্পাঃ) (2005); *ভাষা সাহিত্য সম্ভাৰ*;পাণবজাৰ, গুৱাহাটী ঃ বনলতা।




## ১৪.৬ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

**১নং প্ৰশ্নৰ উত্তৰ ঃ** কবিতাটোৰ বিষয়বস্তু... ...কবিতাটোৰ আলোচনা... ...কবিতাটোত থকা *লখিমী* শব্দটো কি অর্থত প্ৰয়োগ হৈছে তাৰ মনোজ্ঞ আলোচনা, কবিৰ সাম্যবাদী চিন্তাৰ বিষয়ে চমুকৈ উল্লেখ।

**২নং প্ৰশ্নৰ উত্তৰ ঃ** হীৰেন ভট্টাচার্যৰ কবিতাৰ চমু পৰিচয়... ...তেওঁৰ কবিতাৰ তিনিটা উল্লেখ-যোগ্য বৈশিষ্ট্যৰ বিষয়ে চমু আলোচনা কৰিব লাগিব।

**৩নং প্ৰশ্নৰ উত্তৰ ঃ** হীৰেন ভট্টাচার্যই সাহিত্য অকাডেমী বঁটা লাভ কৰা কাব্যগ্ৰন্থখনৰ নাম আৰু বঁটা পোৱা চনটোৰ উল্লেখ... ...তেওঁৰ কবিতাসমূহত ফুটি উঠা বৈশিষ্ট্যসমূহৰ আধাৰত কবিৰ কবিতাৰ সম্যক আলোচনা কৰিব লাগিব।

**৪নং প্ৰশ্নৰ উত্তৰ ঃ** কবিজনাৰ বিষয়ে একেবাৰে চমুকৈ লিখিব লাগিব... ...কবিতাটোৰ বিষয়বস্তুৰ চমু পৰিচয়... ...কবিতাটোৰ মূল বক্তব্যৰ বিষয় আলোচনা।



## ১৪.৭ আৰ্হি প্ৰশ্ন

**প্ৰশ্ন ১ ঃ** আধুনিক অসমীয়া কবিতাত হীৰেন ভট্টাচার্যৰ স্থান নির্ণয় কৰি এটা প্রবন্ধ যুগুত কৰক।

**প্ৰশ্ন ২ ঃ** হীৰেন ভট্টাচার্যৰ *লখিমী* কবিতাটিৰ বিষয়বস্তু চমুকৈ আলোচনা কৰক।

**প্ৰশ্ন ৩ ঃ** কৃষিজীৱী সভ্যতাৰ কেনে ধৰণৰ দিশ *লখিমী* কবিতাটিত প্রকাশ পাইছে— চমুকৈ আলোচনা আগবঢ়াওক।

**প্ৰশ্ন ৪ ঃ** *লখিমী* কবিতাটিৰ কাব্যিক সৌন্দর্য ফঁহিয়াই দেখুৱাওক।

**প্ৰশ্ন ৫ ঃ** *লখিমী* কবিতাটিত প্রগতিবাদী চিন্তাধাৰাৰ আভাস কেনে ধৰণে পাব পাৰি— চমু আলচ আগবঢ়াওক।

**প্ৰশ্ন ৬ ঃ** প্রসঙ্গ সঙ্গতি দর্শাই ব্যাখ্যা কৰক—

*"আইজনীৰ মাকৰ*
*ল'ৰা এটা হ'লে ভাল হয় এথোন।*
*খেতিয়কৰ ল'ৰাৰ বোলে*
*হাত বৰ পোন।"*

*** ***** ***



## প্রসঙ্গ পুথি

*অসমীয়া গ্রন্থ ঃ*


1] উল্লাহ, ইমদাদ (1983); *কবিতাৰ সবিশেষ*; যোৰহাট ঃ অসম সাহিত্য সভা, চন্দ্রকান্ত সন্দিকৈ ভৱন।

2] উল্লাহ, ইমদাদ (1980]; *সৃজন আৰু মনন*; গুৱাহাটী ঃ গুৱাহাটী বুক ষ্টল।

3] কন্দলি, মাধৱ আৰু শ্রীশ্রীশঙ্কৱদেৱ-শ্রীশ্রীমাধৱদেৱ (2009]; *সপ্তকাণ্ড ৰামায়ণ*; পাণবজাৰ, গুৱাহাটী ঃ বনলতা।

4] গগৈ, লীলা (1968); *অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা*; গোলাঘাট ঃ নবীন পুস্তক ভাণ্ডাৰ।

5] গোস্বামী, উপেন্দ্রনাথ (2000]; *ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

6] গোস্বামী, কেশৱানন্দ দেৱ (1997]; *ৱৰগীত ঃ পৱম্পৰা আৰু পৰিৱেশন পদ্ধতি*; গুৱাহাটীঃ লয়ার্ছ বুক ষ্টল।

7] গোস্বামী, পবিত্র প্রাণ (2004]; *প্রবন্ধ, গীতৰ ঐতিহ্যবাহী পূর্ব ভাৰতীয় শাস্ত্রীয় সঙ্গীত ৰৱগীতৰ ৰাগ-বিৰৱণ আৰু তাত্বিক আলোচনা সহ স্বৰলিপি*; মিনার্ভা ইণ্ডিয়া।

8] গোস্বামী, প্রফুল্ল দত্ত (1986); *অসমীয়া জনসাহিত্য*; পাণবজাৰ, গুৱাহাটী ঃ বাণী প্রকাশ প্রাইভেট লিমিটেড।

9] গোস্বামী, মালিনী আৰু আহমেদ, কামালুদ্দিন (সম্পা) (2009]; *আধুনিক অসমীয়া কবিতাৰ তিনিটা স্তৰ*; অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

10] চক্রৱর্তী, মঞ্জু আৰু ডেকা হাজৰিকা, কৰবী (1992]; *চর্যাপদ আৰু ৰৱগীত*; গুৱাহাটীঃ বনলতা।

11] দত্ত বৰুৱা, হৰিনাৰায়ণ (সম্পা.) (2002); *ৰৱগীত*, দত্তবৰুৱা পাব্লিচিং কোঃপ্রাঃলিঃ।

12] দত্ত, বীৰেন্দ্র নাথ (1974]; *গোৱালপৰীয়া লোকগীত সংগ্রহ*; যোৰহাট।

13] দত্ত, হীৰেন্দ্র নাথ (1994]; *ৰোমাণ্টিচিজম্ আৰু গীতি মানস*; ডিব্রুগড় ঃ বনলতা।

14] দাস, অমল চন্দ্র (সম্পা) (2005); *ভাষা সাহিত্য সম্ভাৰ*; পাণবজাৰ, গুৱাহাটী ঃ বনলতা।

15] দাস, ধীৰেণ (1994]; *গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত*; পাণবজাৰ, গুৱাহাটীঃ চন্দ্র প্রকাশ।

16] দাস, বাবুল (সম্পা.) (2011]; *কামৰূপী লোকগীত*; পাণবজাৰ, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।

17] নেওগ, মহেশ্বৰ (1985]; *অসমীয়া গীতি সাহিত্য*; পাণবজাৰ, গুৱাহাটী ঃ বাণী মন্দিৰ।

18] নেওগ, মহেশ্বৰ (2003]; *অসমীয়া সাহিত্যৰ দৃষ্টিপাত*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

19] নেওগ, মহেশ্বৰ (1986]; *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ বাণী মন্দিৰ।

20] নেওগ, মহেশ্বৰ (1985]; *আধুনিক অসমীয়া সাহিত্য*; ডিব্রুগড় ঃ বাণী মন্দিৰ।

21] নেওগ, মহেশ্বৰ (1987]; *শ্রীশ্রী শঙ্কৱদেৱ*; গুৱাহাটী ঃ চন্দ্র প্রকাশ।

22] পূজাৰী, অর্চনা (সম্পা.) (2000]Ê, *অসমীয়া কবিতাৰ বিচাৰ বিশ্লেষণ*; পাণবজাৰ, গুৱাহাটীঃ জ্যোতি প্রকাশন।

23] ফুকন, কবীন (1995]; *অসমীয়া কবিতাৰ প্রবাহ (প্রথম খণ্ড)*; পাণবজাৰ, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।

24] ফুকন, কবীন (1996]; *কবিতাৰ জুতি বিচাৰ*; পাণবজাৰ, গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

25] ফুকন, কবীন (2003); *চন্দ্রকুমাৰ আগৰৱালা*; নতুন দিল্লী ঃ সাহিত্য অকাডেমি।
26] বৰকটকী, বীৰেণ (1984]; *ইংৰাজ ৰমন্যাসিক কবিৰ কাব্য-প্রতিভা*; শিৱসাগৰ ঃ হিমাচল প্রকাশ।
27] বৰা, মহেন্দ্র (2003]; *অসমীয়া কবিতাৰ ছন্দ*; ডিব্রুগড় ঃ বাণী মন্দিৰ।
28] বৰা, মহেন্দ্র (1976]; *ৰমন্যাসবাদ*; পাঠশালা ঃ বাণী প্রকাশ।
29] বৰুৱা, অতুল চন্দ্র (1981]; *অসমীয়া লোক সাহিত্য*, গুৱাহাটী ঃ অসম বুক ডিপো।
30] বৰুৱা, দিলীপ (2004]; *যোৱা শতিকাৰ কবিতা অসমীয়া নৱন্যাসী সাহিত্যৰ পৰম্পৰা*; গুৱাহাটী ঃ জ্যোতি প্রকাশন।
31] বৰুৱা, নৱকান্ত, *অসমীয়া ছন্দ শিল্পৰ ভূমিকা*; গুৱাহাটী।
32] বৰুৱা, প্রহ্লাদ কুমাৰ (সম্পা.) (2001]; *অসমীয়া লোক সাহিত্য*; ডিব্রুগড় ঃ সুৰভি সাহিত্য কুটীৰ।
33] ভট্টাচার্য, পূর্ণ, (2010]; *আধুনিক অসমীয়া কবিতা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।
34] ভট্টাচার্য, পূর্ণ, (2009]; *কবিতা আৰু আধুনিক অসমীয়া কবিতা*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।
35] ভৰালী, শৈলেন (1976]; *আধুনিক অসমীয়া সাহিত্য ঃ দুটি তৰঙ্গ*; পাণবজাৰ, গুৱাহাটীঃ বাণী প্রকাশ।
36] মহন্ত, বাপচন্দ্র (সম্পা.) (1992]; *বৰগীত*; পাণবজাৰ, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।
37] মহন্ত, প্রদীপজ্যোতি (2007]; *শংকৰদেৱৰ শিল্পলোক*; গুৱাহাটী ঃ পূর্বাঞ্চল প্রকাশ।
38] ৰহমান, লুৎফুৰ (সম্পা.) (2001]; *চৈয়দ আব্দুল মালিক ৰচনাৱলী (পঞ্চম খণ্ড)*; গুৱাহাটীঃ কস্তুৰী প্রকাশন।
39] লেখাৰু, উপেন্দ্র চন্দ্র (1991]; *পুৰণি সাহিত্য অধ্যয়ন*; গুৱাহাটী।
40] শইকীয়া, নগেন (1996]; *অসমীয়া কবিতা আৰু অন্যান্য বিষয়*; পাণবজাৰ, গুৱাহাটী ঃ চন্দ্র প্রকাশ।
41] শইকীয়া, নগেন (সম্পা.) (1993]; *চন্দ্রকুমাৰ কবিতা সমগ্র*; গুৱাহাটী ঃ বনলতা।
42] শর্মা, উপেন্দ্রনাথ (2005]; *কবিতাৰ ভাষা আৰু অন্যান্য প্রবন্ধ*, গুৱাহাটী ঃ ভবানী দেৱী প্রকাশন।
43] শর্মা, মুকুণ্ডমাধৱ আৰু শাস্ত্রী, বিশ্বনাৰায়ণ(সম্পা.) (1970]; *ৰামায়ণ (মূলানুবাদ)*; গুৱাহাটী বিশ্ববিদ্যালয়।
44] শর্মা, শশী (1993]; *অসমৰ লোক সাহিত্য*; পাণবজাৰ, গুৱাহাটী ঃ ষ্টুডেণ্টছ ষ্ট'র্ছ।
45] শর্মা, সত্যেন্দ্রনাথ (2000]; *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, বিহাবাৰী, গুৱাহাটী।
46] শর্মা, সত্যেন্দ্রনাথ (1995]; *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*, গুৱাহাটী।
47] শর্মা, সত্যেন্দ্রনাথ (1984]; *ৰামায়ণৰ ইতিবৃত্ত*, ডিব্রুগড় বিশ্ববিদ্যালয়।
48] শর্মা, হেমন্ত কুমাৰ (1998]; *অসমীয়া লোকগীতি সঞ্চয়ন*; পাণবজাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।
49] শর্মা, হেমন্ত কুমাৰ (2003]; *অসমীয়া সাহিত্য দৃষ্টিপাত*; পাণবজাৰ, গুৱাহাটী ঃ বীণা লাইব্রেৰী।
50] হাজৰিকা, কৰবী ডেকা (1998]; *অসমীয়া কবিতা*; পাণবজাৰ, গুৱাহাটী ঃ বনলতা।
51] হাজৰিকা, পৰীক্ষিত (2004]; *চর্য্যাপদ*; পাণবজাৰ, গুৱাহাটী ঃ বনলতা।

52] হুছেইন, এছ.এম. (সম্পা.) (1990]; *অসমীয়া জিকিৰ-জাৰী সাৰ*, পাণবজাৰ, গুৱাহাটীঃ জ্যোতি প্ৰকাশন।

53] হুচেইন, এম ইমৰাণ (সম্পা) (2008]; *স'ৰাগুৰিৰ আজান*, ষষ্ঠদশ সংখ্যা।

*বাংলা গ্রন্থ ঃ*

1] সেন, সুকুমার, (1949]; *রাম কথার প্রাক্ ইতিহাস*।

*ইংৰাজী গ্রন্থ ঃ*

1) Abrams, M. H. (ed.) (1960); *English Romantic Poets*; New York : Oxford University Press.

2) Bowra, C. M. (1950); *The Romantic Imagination*; New York : Oxford University Press.

3) George, K. M. (ed.); *Comparative Indian Literature*; Kerala Sahitya Akademi.